# প্ৰথম অধ্যায়

## আৰম্ভণি

### 1.1 এক সৰল অৰ্থনীতি (A Simple Economy) ঃ

যিকোনো সমাজ এখনৰ কথা ধাৰণা কৰা। এখন সমাজৰ মানুহক তেওঁলোকৰ দৈনন্দিন জীৱনত বহুতো দ্ৰব্য আৰু সেৱাৰ[1] প্ৰয়োজন হয় যিবোৰ হ'ব পাৰে খাদ্য, বস্ত্ৰ, বাসস্থান, পথ আৰু ৰেল পৰিবহণৰ দৰে সুবিধা, ডাক সেৱা আৰু শিক্ষক আৰু ডাক্তৰৰ দৰে আন বহুতো সেৱা। প্ৰকৃততে, যিকোনো ব্যক্তি[2] এজনৰ প্ৰয়োজনীয় দ্ৰব্য আৰু সেৱাৰ তালিকাখন ইমানেই ডাঙৰ যে সমাজৰ কোনো এজন ব্যক্তিৰ নিজৰ প্ৰয়োজনীয় আটাইবোৰ দ্ৰব্য নাথাকে। এজন ব্যক্তিয়ে ব্যৱহাৰ কৰিব বিচৰা দ্ৰব্য আৰু সেৱাসমূহৰ মাত্ৰ কিছু পৰিমাণেহে ব্যক্তিজনৰ হাতত থাকে। এটা খেতিয়ক পৰিয়ালৰ এডোখৰ মাটি, কিছু পৰিমাণৰ শস্য, খেতিৰ সঁজুলি, এহাল গৰু আৰু লগতে পৰিয়ালৰ সদস্যসকলৰ শ্ৰমসেৱা থাকিব পাৰে। এগৰাকী বোৱনীৰ কিছু পৰিমাণে সূতা, কপাহ আৰু কাপোৰ ববলৈ প্ৰয়োজনীয় যন্ত্ৰপাতি থাকিব পাৰে। স্থানীয় স্কুলৰ শিক্ষকজনৰ ছাত্ৰক শিক্ষা দিবলৈ প্ৰয়োজনীয় সক্ষমতা থাকিব পাৰে। সমাজৰ আন কিছুমান ব্যক্তিৰ নিজৰ শ্ৰমসেৱাৰ বাহিৰ আন কোনো সম্পদ[3] নাথাকিবও পাৰে। সিদ্ধান্ত গ্ৰহণ কৰিব পৰা প্ৰতিটো গোটেই নিজৰ লগত থকা সম্পদেৰে কিছুমান দ্ৰব্য বা সেৱা উৎপাদন কৰিব পাৰে আৰু এটা অংশেৰে নিজৰ প্ৰয়োজনীয় আন বহুতো দ্ৰব্য আৰু সেৱা সংগ্ৰহ কৰিব পাৰে। উদাহৰণ স্বৰূপে, খেতিয়ক পৰিয়াল এটাই উৎপন্ন শস্যৰ এটা অংশ নিজৰ উপভোগৰ উদ্দেশ্যে ৰাখি বাকীখিনি বিনিময়ৰ মাধ্যমেৰে বস্ত্ৰ, বাসস্থান আৰু অন্যান্য প্ৰয়োজনীয় দ্ৰব্যসমূহ সংগ্ৰহ কৰিব পাৰে।

---

1. দ্ৰব্য মানে আমি মানুহৰ অভাৱ আৰু প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ ব্যৱহাৰ কৰা আবয়বিক, স্পৰ্শ কৰিব পৰা পদাৰ্থবোৰক বুজো। দ্ৰব্য পৰিভাষাটো 'সেৱা' পৰিভাষাৰ পৰা পৃথক কৰিব লাগিব যিয়ে স্পৰ্শ কৰিব নোৱাৰা অভাৱ আৰু প্ৰয়োজনীয়তা পূৰণ কৰে। খাদ্যদ্ৰব্য আৰু কাপোৰৰ, যিবোৰ সামগ্ৰীৰ উদাহৰণ, তুলনাত আমি ডাক্তৰ আৰু শিক্ষকসকলে আমাৰ কাৰণে কৰা কামৰ কথা ভাবিব পাৰো, যিবোৰ সেৱাৰ উদাহৰণ।
2. ব্যক্তি বুলিলে আমি একোটা ব্যক্তিগত সিদ্ধান্ত গ্ৰহণকাৰীগোটক বুজো। সিদ্ধান্ত গ্ৰহণকাৰী গোট এটা এজন ব্যক্তিও হ'ব পাৰে, পৰিয়ালৰ নিচিনা থুপ এটাও হ'ব পাৰে, এটা প্ৰতিষ্ঠান বা আন যিকোনো সংগঠন এটাও হ'ব পাৰে।
3. সম্পদ মানে আমি সেইবোৰ দ্ৰব্য আৰু সেৱাক বুজো যিবোৰ আন দ্ৰব্য আৰু সেৱা উৎপাদনত ব্যৱহাৰ কৰা হয়। যেনে ঃ ভূমি, শ্ৰমিক, যন্ত্ৰপাতি ইত্যাদি।

একেদৰে, বোৱনী এগৰাকীয়ে নিজৰ সূতাৰে তৈয়াৰী কাপোৰৰ বিনিময়ত তেওঁ বিচৰা দ্ৰব্য আৰু সেৱাসমূহ পাব পাৰে। শিক্ষক এগৰাকীয়ে স্কুলত শিক্ষাদান কৰি কিছু ধন উপাৰ্জন কৰিব পাৰে আৰু সেই ধন ব্যৱহাৰ কৰি নিজৰ প্ৰয়োজনীয় দ্ৰব্য আৰু সেৱাসমূহ যোগাৰ কৰিব পাৰে। শ্ৰমিক এজনেও আন কোনোবাৰ বাবে কাম কৰি যিখিনি উপাৰ্জন কৰে, সেইখিনিৰে নিজৰ আৱশ্যকতা পূৰণ কৰিব পাৰে। প্ৰতিগৰাকী ব্যক্তিয়ে এইদৰে নিজৰ সম্পদবোৰ ব্যৱহাৰ কৰি নিজৰ আৱশ্যকতাবোৰ পূৰণ কৰিব পাৰে। এইটো নকলেও হব যে কোনো ব্যক্তিৰে নিজৰ প্ৰয়োজন তুলনাত অসীম সম্পদ নাথাকে। এটা খেতিয়ক পৰিয়ালে উৎপাদন কৰিব পৰা শস্যৰ পৰিমাণ পৰিয়ালত থকা সম্পদেৰে সীমিত আৰু সেইবাবে উৎপাদিত শস্যৰ বিনিময়ত পৰিয়ালটোৱে সংগ্ৰহ কৰিব পৰা দ্ৰব্য আৰু সেৱাৰ পৰিমাণো সীমিত হয়। ফলস্বৰূপে প্ৰাপ্তি সাধ্য দ্ৰব্য আৰু সেৱাসমূহৰ মাজত পৰিয়ালটোৱে পছন্দ বা অপছন্দ কৰিবলৈ বাধ্য হয়। পৰিয়ালটোৱে কোনো এটা দ্ৰব্য বা সেৱাৰ বেছি পৰিমাণ উপভোগ কৰিব বিচাৰিলে আন কোনো দ্ৰব্য বা সেৱাৰ উপভোগ কিছু পৰিমাণে কমাব লাগিব। উদাহৰণ স্বৰূপে, পৰিয়াল এটাই যদি এটা ডাঙৰ ঘৰ সাজিব বিচাৰে তেনেহ'লে পৰিয়ালটোৱে হয়তো কেইবিঘামান অধিক খেতি মাটি কিনাৰ ধাৰণাটো ত্যাগ কৰিব লাগিব। যদি পৰিয়ালটোৱে ল'ৰা ছোৱালীক অধিক ভাল শিক্ষা দিব বিচাৰে, তেনেহ'লে সদস্যসকলে হয়তো কিছুমান বিলাসিতা পৰিত্যাগ কৰিব লাগিব। সমাজৰ আন সকলো ব্যক্তিৰ ক্ষেত্ৰতে এই একে কথাই প্ৰযোজ্য। প্ৰতিজনে সম্পদৰ দুষ্প্ৰাপ্যতাৰ সন্মুখীন হয় আৰু সেয়েহে তেওঁলোকে নিজৰ প্ৰয়োজন পূৰাবলৈ সীমিত সম্পদ আটাইতকৈ উত্তম ধৰণে ব্যৱহাৰ কৰে।

সাধাৰণতে সমাজৰ প্ৰত্যেক ব্যক্তিয়ে কিবা নহয় কিবা দ্ৰব্য বা সেৱা উৎপাদনত জড়িত আৰু প্ৰত্যেক ব্যক্তিয়ে বিভিন্ন দ্ৰব্য আৰু সেৱাৰ এটা সংমিশ্ৰণ বিচাৰে, যিটোৰ আটাইবোৰ তেওঁ নিজে উৎপাদন কৰা নহয়। নক'লেও হ'ব যে সমাজৰ ব্যক্তিসকলে সমূহীয়াভাবে যি বিচাৰে আৰু তেওঁলোকে যি উৎপাদন কৰে তাৰ মাজত কিছু সুসঙ্গতি থাকিব লাগিব[4]। উদাহৰণ স্বৰূপে, এখন সমাজত সমূহ খেতিৰ গোটে উৎপাদন কৰা শস্যৰ সৰ্বমুঠ পৰিমাণ সমাজৰ ব্যক্তিসকলে সমূহীয়াভাবে উপভোগ কৰিব বিচৰা শস্যৰ সৰ্বমুঠ পৰিমাণৰ লগত একে হ'ব লাগিব। যদিহে, খেতিৰ গোটসমূহে সমূহীয়াভাবে যিমানখিনি শস্য উৎপাদন কৰিব পাৰে সমাজৰ ব্যক্তিসকলে সিমানখিনি নিবিচাৰে, তেন্তে খেতিৰ গোটসমূহৰ সম্পদৰ এটা অংশ উচ্চ চাহিদাসম্পন্ন অন্য কিছুমান দ্ৰব্য বা সেৱা উৎপাদনত ব্যৱহাৰ কৰিব পৰা যায়। আনহাতে, খেতিৰ গোটসমূহে সমূহীয়াভাবে যিমানখিনি শস্য উৎপাদন কৰে, সমাজৰ ব্যক্তি সকলে যদি তাতকৈ বেছি শস্য বিচাৰে, তেনেহ'লে অন্য কিছুমান দ্ৰব্য বা সেৱা উৎপাদনত ব্যৱহৃত কিছু সম্পদ শস্য উৎপাদনত পুনৰ আবণ্টন কৰিব পাৰি। আন

4. ইয়াত আমি ধৰি লওঁ যে এখন সমাজত উৎপাদিত সকলো দ্ৰব্য আৰু সেৱাবোৰ সমাজখনৰ মানুহে উপভোগ কৰে আৰু সমাজখনৰ বাহিৰৰ পৰা একো পোৱাৰ কোনো অৱকাশ নাই। প্ৰকৃততে, এয়া সত্য নহয়। তথাপিও, দ্ৰব্য আৰু সেৱাৰ উৎপাদন আৰু উপভোগৰ সুসঙ্গতাৰ বিষয়ে যিটো মূল কথা ইয়াত বুজাব বিচৰা হৈছে সেইটো এখন দেশৰ ক্ষেত্ৰত বা আনকি গোটেই বিশ্বৰ ক্ষেত্ৰত খাটে।

সকলো দ্ৰব্য বা সেৱা উৎপাদনৰ ক্ষেত্ৰতো এই একে কথাই প্ৰযোজ্য। ব্যক্তি এজনৰ কাৰণে সম্পদ যেনেকৈ দুষ্প্ৰাপ্য, সমাজখনৰ কাৰণেও সমাজৰ ব্যক্তিসকলে সমূহীয়াভাবে যিমান সম্পদ বিচাৰে তাৰ তুলনাত দুষ্প্ৰাপ্য। সমাজৰ দুষ্প্ৰাপ্য সম্পদবোৰ সমাজৰ ব্যক্তিবোৰৰ পছন্দ-অপছন্দ অনুসৰি বিভিন্ন দ্ৰব্য আৰু সেৱাৰ উৎপাদনত উচিতভাবে আবণ্টন কৰিব লাগিব।

সমাজত সম্পদৰ যিকোনো আবণ্টনে[5] বিভিন্ন দ্ৰব্য আৰু সেৱাৰ এটা নিৰ্দিষ্ট সংমিশ্ৰণ উৎপাদন কৰিব। এইদৰে উৎপাদিত দ্ৰব্য বা সেৱাসমূহ সমাজৰ ব্যক্তিবোৰৰ মাজত বিতৰণ কৰিব লাগিব। সমাজ এখনে সন্মুখীন হোৱা মৌলিক অৰ্থনৈতিক সমস্যাবোৰৰ দুটা হ'ল সীমিত সম্পদৰ আবণ্টন আৰু উৎপাদিত দ্ৰব্য আৰু সেৱাৰ চূড়ান্ত মিশ্ৰণৰ বিতৰণ।

বাস্তৱত, যিকোনো এখন অৰ্থনীতিৰ ওপৰত আলোচিত সমাজখনতকৈ বহুত বেছি জটিল। সমাজৰ বিষয়ে আমি যি শিকিলো, তাৰ আধাৰত আমি এতিয়া অৰ্থনীতি বিষয়টোৰ মৌলিক চিন্তাবোৰ আলোচনা কৰোঁহক, যিবোৰৰ কিছুমান এই গোটেই কিতাপখনত আমি অধ্যয়ন কৰিম।

## 1.2 অৰ্থনীতি কেন্দ্ৰীয় সমস্যাসমূহ (Central Problems of an Economy) ঃ

দ্ৰব্য আৰু সেৱাৰ উৎপাদন, বিনিময় আৰু উপভোগেই হ'ল জীৱনৰ মৌলিক অৰ্থনৈতিক কাৰ্যকলাপ। এই মৌলিক অৰ্থনৈতিক কাৰ্যবোৰ সম্পাদন কৰোঁতে প্ৰতিখন সমাজেই সম্পদৰ 'দুষ্প্ৰাপ্যতা'ৰ সন্মুখীন হয় আৰু সম্পদৰ এই দুষ্প্ৰাপ্যতাই 'পছন্দ'ৰ সমস্যা সৃষ্টি কৰে। এখন অৰ্থনীতিৰ দুষ্প্ৰাপ্য সম্পদবোৰৰ প্ৰতিযোগিতামূলক ব্যবহাৰ আছে। অন্য ভাষাত, প্ৰতিখন সমাজে দুষ্প্ৰাপ্য সম্পদবোৰ কেনেদৰে ব্যৱহাৰ কৰিব তাৰ সিদ্ধান্ত ল'ব লাগিব। অৰ্থনীতি এটাৰ সমস্যাবোৰ সততে তলত দিয়াধৰণে সংক্ষিপ্তকৰণ কৰা হয়।

### কি উৎপাদন কৰা হয় আৰু কিমান পৰিমাণত?

### (What is produced and in what Quantities?)

প্ৰতিখন সমাজে সম্ভৱনীয় বহুতো দ্ৰব্য আৰু সেৱাৰ প্ৰতিটোৰ কিমান পৰিমাণে উৎপাদন কৰিব তাৰ সিদ্ধান্ত ল'ব  লাগিব। খাদ্য, বস্ত্ৰ, বাসস্থানৰ বাবে বেছিকৈ উৎপাদন কৰিব নে বিলাসী সামগ্ৰী বেছিকৈ উৎপাদন কৰিব। কৃষিৰ দ্ৰব্য বেছিকৈ লাগিব নে ঔদ্যোগিক সামগ্ৰী আৰু সেৱা বেছিকৈ লাগিব। শিক্ষা আৰু স্বাস্থ্যত বেছিকৈ সম্পদৰ ব্যৱহাৰ কৰিব লাগে নে সামৰিক সেৱা নিৰ্মাণত বেছিকৈ সম্পদৰ ব্যৱহাৰ কৰিব লাগিব। প্ৰাথমিক শিক্ষা বেছিকৈ লাগে নে উচ্চ শিক্ষা বেছি লাগে। উপভোগৰ দ্ৰব্য বেছিকৈ লাগে নে বিনিয়োগৰ দ্ৰব্য (যন্ত্ৰপাতিৰ নিচিনা) যিবোৰে ভৱিষ্যতে উৎপাদন আৰু ভোগ বঢ়াব তেনেকুৱা দ্ৰব্য লাগে।

---

5. সম্পদৰ এটা আবণ্টন মানে আমি প্ৰতিটো দ্ৰব্য আৰু সেৱাৰ উৎপাদনত কোনটো সম্পদৰ কিমানখিনি নিয়োজিত কৰা হয় তাক বুজো।

### এই দ্ৰব্যবোৰ কেনেকৈ উৎপাদন কৰা হয়?

### (How are these Goods Produced?)

বিভিন্ন দ্ৰব্য আৰু সেৱাৰ প্ৰতিটো উৎপাদন কৰোঁতে প্ৰতিখন সমাজে কোনটো সম্পদৰ কিমানখিনি ব্যৱহাৰ কৰিব লাগিব সেই সিদ্ধান্তটো ল'ব লাগিব। বেছিকৈ শ্ৰমিক নে বেছিকৈ যন্ত্ৰপাতি ব্যৱহাৰ কৰা হ'ব। সামগ্ৰীবোৰৰ প্ৰতিটো উৎপাদন কৰোঁতে প্ৰাপ্তব্য উৎপাদন কৌশলৰ কোনটো ব্যৱহাৰ কৰা হ'ব?

### এই দ্ৰব্যবোৰ কাৰ বাবে উৎপাদন কৰা হয়?

### (For whom are these Goods Produced?)

অৰ্থনীতিত উৎপাদিত দ্ৰব্যবোৰৰ কোনে কিমান অংশ পায়? অৰ্থনীতিৰ উৎপাদনখিনি অৰ্থনীতিৰ ব্যক্তিবোৰৰ মাজত কেনেদৰে বিতৰণ কৰা হ'ব? কোনে বেছিকৈ পাব আৰু কোনে কমকৈ পাব? অৰ্থনীতিত প্ৰতিজনৰ বাবে ভোগৰ ন্যূনতম পৰিমাণ নিশ্চিত কৰিব  লাগিব নে নালাগে। অৰ্থনীতিত প্ৰতিজনৰ বাবে প্ৰাথমিক শিক্ষা আৰু বুনিয়াদী স্বাস্থ্য সেৱা বিনামূলীয়াকৈ বন্দৰস্ত কৰিব লাগিব নে নালাগে।

গতিকে, প্ৰতিটো অৰ্থনীতিয়ে দুষ্প্ৰাপ্য সম্পদবোৰ বিভিন্ন সম্ভাৱনীয় দ্ৰব্য আৰু সেৱাৰ উৎপাদনত আবণ্টনৰ সমস্যা আৰু উৎপাদিত দ্ৰব্য আৰু সেৱাবোৰ অৰ্থনীতিটোৰ ব্যক্তিসকলৰ মাজত বিতৰণৰ সমস্যাৰ সন্মুখীন হয়। দুষ্প্ৰাপ্য সম্পদৰ আবণ্টন আৰু চূড়ান্ত দ্ৰব্য আৰু সেৱাৰ বিতৰণেই হ'ল যিকোনো অৰ্থনীতিৰ কেন্দ্ৰীয় সমস্যা।

### উৎপাদন সম্ভাৱনীয় সীমাৰেখা

### (Production Possibility Frontier)

ব্যক্তি এজনে যেনেকৈ সম্পদৰ দুষ্প্ৰাপ্যতাৰ সন্মুখীন হয়, তেনেকৈ অৰ্থনীতিৰ আটাইবোৰ ব্যক্তিয়ে সমূহীয়াভাবে যি পাব বিচাৰে তাৰ তুলনাত সামগ্ৰিকভাবে অৰ্থনীতিৰ সম্পদবোৰ সদায় সীমিত। দুষ্প্ৰাপ্য সম্পদবোৰ বিকল্প ব্যৱহাৰযোগ্য আৰু বিভিন্ন দ্ৰব্য আৰু সেৱা উৎপাদনত কোনটো সম্পদৰ কিমানখিনি ব্যৱহাৰ কৰিব লাগিব, সেই সিদ্ধান্ত প্ৰতিখন সমাজে ল'ব লাগিব। অন্য ভাষাত, বিভিন্ন দ্ৰব্য আৰু সেৱাত দুষ্প্ৰাপ্য সম্পদবোৰ কেনেকৈ আবণ্টন কৰিব লাগিব, প্ৰতিখন সমাজে সেয়া নিৰ্ধাৰণ কৰিব লাগিব।

অৰ্থনীতিৰ দুষ্প্ৰাপ্য সম্পদৰ এটা আবণ্টনে বিভিন্ন দ্ৰব্য আৰু সেৱাৰ এটা নিৰ্দিষ্ট সংমিশ্ৰণ সৃষ্টি কৰে। সম্পদৰ মুঠ পৰিমাণৰ হিচাবত সম্পদবোৰৰ বিভিন্ন ধৰণেৰে আবণ্টন সম্ভৱ হয় আৰু এইদৰে সম্ভৱপৰ সকলো দ্ৰব্য আৰু সেৱাৰ বিভিন্ন মিশ্ৰণ আহৰণ কৰিব পাৰি। নিৰ্দিষ্ট পৰিমাণৰ সম্পদ আৰু

নিৰ্দিষ্ট কিছুমান প্ৰযুক্তি জ্ঞানৰ জৰিয়তে উৎপাদিত দ্ৰব্য আৰু সেৱাৰ সকলো সম্ভৱপৰ সংমিশ্ৰণৰ সংগ্ৰহকেই অৰ্থনীতিৰ উৎপাদন সম্ভাৱনা সংহতি (Production Possibility Set) বুলি কোৱা হয়।


**উদাহৰণ 1 ঃ**

এখন অৰ্থনীতিৰ বিষয়ে ধাৰণা কৰা যিটোৱে ইয়াৰ সম্পদবোৰ ব্যৱহাৰ কৰি শস্য বা কপাহ উৎপাদন কৰিব পাৰে। অৰ্থনীতিটোৱে উৎপাদন কৰিব পৰা শস্য আৰু কপাহৰ কিছুমান সংমিশ্ৰণ তালিকা 1.1 য়ে দেখুৱায়।

**তালিকা 1.1 ঃ উৎপাদন সম্ভাৱনা**

| সম্ভাৱনা | শস্য | কপাহ |
|---|---|---|
| A | 0 | 10 |
| B | 1 | 9 |
| C | 2 | 7 |
| D | 3 | 4 |
| E | 4 | 0 |

আটাইখিনি সম্পদ যদি শস্য উৎপাদনত ব্যৱহাৰ কৰা হয়, সৰ্বাধিক 4 গোট পৰিমাণৰ শস্য উৎপাদন কৰিব পাৰি আৰু আটাইবোৰ সম্পদ যদি কপাহ উৎপাদনত ব্যৱহাৰ কৰা হয়, সৰ্বোচ্চ 10 গোট কপাহ উৎপাদন কৰিব পাৰি। অৰ্থনীতিয়ে আকৌ 1 গোট শস্য আৰু 9 গোট কপাহ বা 2 গোট শস্য আৰু 7 গোট কপাহ বা 3 গোট শস্য আৰু 4 গোট কপাহো উৎপাদন কৰিব পাৰে। এইকেইটাৰ উপৰিও আন বহুতো উৎপাদন সম্ভাৱনীয়তা হ'ব পাৰে। চিত্ৰটোৱে অৰ্থনীতিৰ উৎপাদন সম্ভাৱনাবোৰ দেখুৱাইছে। ৰেখাডালত থকা বা ৰেখাডালৰ তলত থকা যিকোনো বিন্দু এটাই অৰ্থনীতিৰ সম্পদেৰে উৎপাদন কৰিব পৰা শস্য আৰু কপাহৰ এটা সংমিশ্ৰণ প্ৰতিনিধিত্ব কৰে। ৰেখাডালে কপাহৰ এটা নিৰ্দিষ্ট পৰিমাণৰ লগত সৰ্বোচ্চ শস্য কিমান পৰিমাণে উৎপাদন কৰিব পাৰি তাক দেখুৱায়। এই ৰেখাডালক উৎপাদন সম্ভাৱনীয় সীমাৰেখা (Production Possibility Frontier) বুলি কোৱা হয়। উৎপাদন সম্ভাৱনীয় সীমাৰেখাই অৰ্থনীতিৰ সম্পদবোৰ পূৰ্ণভাৱে কামত খটালে উৎপাদন কৰিব পৰা শস্য আৰু কপাহৰ আটাইবোৰ সংমিশ্ৰণ দেখুৱায়। উল্লেখ কৰা প্ৰয়োজন যে উৎপাদন সম্ভাৱনীয় সীমাৰেখাৰ তলত অৱস্থিত বিন্দু এটাই শস্য আৰু কপাহৰ এনে এটা সংমিশ্ৰণ প্ৰতিনিধিত্ব কৰিছে যিটো উৎপাদন কৰোঁতে সকলোবোৰ বা কিছুমান সম্পদ হয়টো অপূৰ্ণভাৱে নিয়োগ কৰা হৈছে অথবা সম্পদৰ অপচয় হৈছে।



যদিহে দুষ্প্ৰাপ্য সম্পদবোৰ শস্য উৎপাদনত বেছিকৈ ব্যৱহৃত হয়, কপাহ উৎপাদনৰ বাবে সম্পদৰ পৰিমাণ কম হ'ব। গতিকে, আমি যদি এটা দ্ৰব্য বেছিকৈ পাব বিচাৰো আনটো দ্ৰব্য কমকৈ পাম। সেয়ে, সদায় এটা দ্ৰব্যৰ অলপ বেছি পাব লাগিলে আনটো দ্ৰব্যৰ পৰিমাণৰ হিচাবত কিছু ব্যয় হ'ব যিখিনি ত্যাগ কৰিব লাগিব। ইয়াক দ্ৰব্যৰ অতিৰিক্ত গোট এটাৰ সুযোগ ব্যয়[a] (Opportunity Cost) বুলি জনা যায়।

প্ৰতিটো অৰ্থনীতিয়ে তাত থকা বহুতো সম্ভাৱনীয়তাৰ এটা পছন্দ কৰিব লাগিব। অন্য ভাষাত, অৰ্থনীতিৰ কেন্দ্ৰীয় সমস্যাবোৰৰ এটা হ'ল বহুতো উৎপাদন সম্ভাৱনীয়তাৰ মাজৰ পৰা এটা পছন্দ কৰা।

[6] মন কৰিবা যে সুযোগ ব্যয়ৰ ধাৰণাটো ব্যক্তি আৰু সমাজ উভয়ৰে ক্ষেত্ৰত প্ৰযোজ্য। ধাৰণাটো অতি গুৰুত্বপূৰ্ণ আৰু অৰ্থবিজ্ঞানত বহুলভাৱে ব্যৱহৃত হয়। অৰ্থবিজ্ঞানত ইয়াৰ গুৰুত্বৰ বাবে কেতিয়াবা সুযোগ ব্যয়ক অৰ্থনৈতিক ব্যয় (Economic Cost) বুলিও কোৱা হয়।

## 1.3 অৰ্থনৈতিক কাৰ্যকলাপৰ সংগঠন (Organisation of Economic Activities) ঃ

মৌলিক সমস্যাবোৰ হয় নিজা লক্ষ্য অনুসৰণকাৰী ব্যক্তিসকলে বজাৰত কৰাৰ দৰে অবাধ আদান প্ৰদানৰ যোগেদি নাইবা পৰিকল্পিতভাৱে চৰকাৰৰ নিচিনা কিছুমান কেন্দ্ৰীয় অধিকৰ্তাৰ দ্বাৰা সমাধান কৰিব পাৰি।

### 1.3.1 কেন্দ্ৰীয়ভাৱে পৰিকল্পিত অৰ্থনীতি (The Centrally Planned Economy) ঃ

এটা কেন্দ্ৰীয়ভাৱে পৰিকল্পিত অৰ্থনীতিত চৰকাৰে বা কেন্দ্ৰীয় অধিকৰ্তাই অৰ্থনীতিৰ সকলোবোৰ গুৰুত্বপূৰ্ণ কাৰ্যকলাপ পৰিকল্পনা কৰে। দ্ৰব্য আৰু সেৱাৰ উৎপাদন, বিনিময় আৰু উপভোগৰ সকলো গুৰুত্বপূৰ্ণ সিদ্ধান্তবোৰ চৰকাৰে লয়। কেন্দ্ৰীয় অধিকৰ্তাই সম্পদৰ এটা নিৰ্দিষ্ট আবণ্টন আৰু তাৰ ফলস্বৰূপে সমাজৰ সামগ্ৰিকভাৱে বাঞ্ছনীয় বুলি ভবা চূড়ান্ত দ্ৰব্য আৰু সেৱাৰ বিতৰণ আহৰণৰ চেষ্টা কৰিব পাৰে। উদাহৰণ স্বৰূপে, যদি অৰ্থনীতিৰ সামগ্ৰিক উন্নতি আৰু উৎকৰ্ষতাৰ বাবে অতি প্ৰয়োজনীয় এটা দ্ৰব্য বা সেৱা, যেনে শিক্ষা বা স্বাস্থ্যসেৱা, ব্যক্তিসকলে নিজাকৈ পৰ্যাপ্ত পৰিমাণে উৎপাদন কৰা দেখা নাযায়, তেন্তে চৰকাৰে সেই ধৰণৰ দ্ৰব্য বা সেৱাটো পৰ্যাপ্ত পৰিমাণে উৎপাদন কৰিবলৈ ব্যক্তিসকলক বুজাব পাৰে নাইবা, বিকল্পভাৱে, চৰকাৰে নিজেই আলোচিত দ্ৰব্য বা সেৱাটো উৎপাদনৰ সিদ্ধান্ত ল'ব পাৰে। আন এটা প্ৰসংগত, যদি অৰ্থনীতিৰ কিছুমান ব্যক্তিয়ে অৰ্থনীতিত উৎপাদিত দ্ৰব্য আৰু সেৱাৰ চূড়ান্ত মিশ্ৰণৰ ইমানেই কম অংশ উপভোগৰ বাবে পায় যে তেওঁলোকৰ জীয়াই থকাই টান, তেতিয়া কেন্দ্ৰীয় অধিকৰ্তাই হস্তক্ষেপ কৰিব পাৰে আৰু দ্ৰব্য আৰু সেৱাৰ চূড়ান্ত মিশ্ৰণৰ এটা সমতাপূৰ্ণ বিতৰণৰ বাবে চেষ্টা কৰিব পাৰে।

6. কিছুমান উদ্দেশ্যধৰ্মী সংগঠন এটাক এটা অনুষ্ঠান বুলি কোৱা হয়।

### 1.3.2 বজাৰ অৰ্থনীতি (The Market Economy) ঃ

কেন্দ্ৰীয়ভাবে পৰিকল্পিত অৰ্থনীতিৰ বিপৰীতে, এটা বজাৰ অৰ্থনীতিত, সকলোবোৰ অৰ্থনৈতিক কাৰ্যকলাপ বজাৰৰ জৰিয়তে সংগঠিত হয়। অৰ্থনীতিত কৰা অধ্যয়ন মতে, বজাৰ হ'ল এটা অনুষ্ঠান[6] যিয়ে নিজা নিজা অৰ্থনৈতিক কাৰ্যকলাপ অনুসৰণকাৰী ব্যক্তিসকলৰ অবাধ-আদান প্ৰদান সংগঠিত কৰে। অন্য ভাষাত, এখন বজাৰ হ'ল কিছুমান ব্যৱস্থাপনাৰ এটা সংহতি য'ত অৰ্থনৈতিক প্ৰতিনিধিবোৰে তেওঁলোকৰ ধন-সম্পত্তি আৰু দ্ৰব্যবোৰ এজনে আন এজনৰ লগত অবাধভাবে বিনিময় কৰিব পাৰে। উল্লেখনীয় যে অৰ্থনীতিত ব্যৱহৃত 'বজাৰ' পৰিভাষাটো সাধাৰণ অৰ্থত বুজা বজাৰতকৈ যথেষ্ট বেলেগ। বিশেষকৈ তুমি ঠিক ভাবিবলৈ ধৰা বজাৰস্থানৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। সামগ্ৰীৰ বেচা-কিনাৰ বাবে ব্যক্তিসকলে এজনে আন এজনৰ লগত কোনো এক বাস্তৱিক স্থানত লগ লাগিবও পাৰে, নালাগিবও পাৰে। কিনোতা আৰু বেচোঁতৰ মাজত আদান-প্ৰদান বিভিন্ন ধৰণৰ ব্যৱস্থা যেনে গাঁওৰ চক বা মহানগৰৰ ছুপাৰ বজাৰৰ যোগেদি সংঘটিত হ'ব পাৰে, বা বিকল্পভাবে, কিনোতা আৰু বেচোঁতাই টেলিফোন বা ইণ্টাৰনেটৰ দ্বাৰা যোগাযোগ কৰিও সামগ্ৰীৰ বিনিময় কৰিব পাৰে। মানুহক অবাধভাবে সামগ্ৰীৰ কিনা-বেচা কৰাৰ সুবিধা প্ৰদান কৰা ব্যৱস্থাপনাবোৰেই হ'ল এখন বজাৰৰ প্ৰভেদী বৈশিষ্ট্য।

যিকোনো ব্যৱস্থা এটা সুষমভাবে চলিবলৈ ব্যৱস্থাটোৰ বিভিন্ন অংশীদাৰী ভাগবোৰৰ কাম কাজৰ সমন্বয় থকাটো প্ৰয়োজন। নহ'লে, বিশৃংখলতা হ'ব পাৰে। তোমাৰ হয়তো কৌতূহল হ'ব পাৰে সেইবোৰ কি কাৰক যিবোৰে বজাৰ ব্যৱস্থাত অকলশৰীয়াকৈ থকা লাখ লাখ ব্যক্তিৰ কাম কাজৰ সমন্বয় আনিব পাৰে।

এটা বজাৰ ব্যৱস্থাত সকলোবোৰ দ্ৰব্য বা সেৱাৰ একোটা দাম থাকে (যিটো কিনোতা আৰু বেচোঁতাসকলে উমৈহতীয়াভাবে মানি লয়) য'ত বিনিময় সংঘটিত হয়। বিশেষ দ্ৰব্য এটা যদি কিনোতাই বেছিকৈ বিচাৰে, সেই দ্ৰব্যটোৰ দাম বাঢ়িব। ইয়ে সেই দ্ৰব্যটোৰ উৎপাদকলৈ এইদৰে এটা সংকেত পঠিয়াৰ যে বৰ্তমানৰ উৎপাদনতকৈ সেই দ্ৰব্যটো সামগ্ৰিকভাবে সমাজে বেছিকৈ বিচাৰে আৰু তাৰ পিছত দ্ৰব্যটোৰ উৎপাদকসকলেও তেওঁলোকৰ উৎপাদন বৃদ্ধিৰ সম্ভাৱনা আছে। এইদৰে দ্ৰব্য আৰু সেৱাবোৰৰ দামে বজাৰত সিচঁৰতি সকলো ব্যক্তিলৈ গুৰুত্বপূৰ্ণ তথ্য পঠিয়ায় আৰু এটা বজাৰ ব্যৱস্থাত সমন্বয় সাধনত সহায় কৰে। গতিকে, এটা বজাৰ ব্যৱস্থাত দামৰ সংকেতেৰে অৰ্থনৈতিক কাম-কাজৰ সমন্বয় সাধন কৰি কি উৎপাদন কৰিব লাগিব আৰু কিমান পৰিমাণে উৎপাদন কৰিব লাগিব আদি কেন্দ্ৰীয় সমস্যাবোৰ সমাধান কৰিব পাৰি।

প্ৰকৃততে সকলো অৰ্থনীতিয়ে মিশ্ৰ অৰ্থনীতি য'ত কিছুমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত চৰকাৰৰ দ্বাৰা লোৱা হয় আৰু অৰ্থনৈতিক কাৰ্যকলাপ কম বেছি পৰিমাণে বজাৰৰ জৰিয়তে সম্পাদন হয়। একমাত্ৰ পাৰ্থক্য হয়

অৰ্থনৈতিক কাৰ্যকলাপৰ মাৰ্গ নিৰ্ণয়ত চৰকাৰৰ ভূমিকাৰ পৰিসৰ ওপৰত। আমেৰিকা যুক্তৰাষ্ট্ৰত চৰকাৰৰ ভূমিকা নগণ্য। কেন্দ্ৰীয় ভাবে পৰিকল্পিত অৰ্থনীতিৰ আটাইতকৈ নিকট- উদাহৰণ হ'ল কুৰি শতিকাৰ বেছিভাগ সময়জুৰি থকা দেশ ছোভিয়েট ইউনিয়ন। ভাৰতবৰ্ষত স্বাধীনতাৰ পিছৰে পৰা অৰ্থনৈতিক কাৰ্যকলাপ পৰিচালনাত চৰকাৰে এটা মুখ্য ভূমিকা পালন কৰিছে। যদিওবা, যোৱা দশক কেইটাত ভাৰতৰ অৰ্থনীতিত চৰকাৰৰ ভূমিকা যথেষ্টখিনি কমিছে।

## 1.4 যথাৰ্থ আৰু আদৰ্শগত অৰ্থনীতি (Positive and Normative Economics) ঃ

আগতেই উল্লেখ কৰা হৈছে যে অৰ্থনীতিৰ কেন্দ্ৰীয় সমস্যাবোৰ সমাধান কৰিবলৈ নীতিগতভাবে এটাতকৈ বেছি প্ৰক্ৰিয়া আছে। সাধাৰণতে, এই বিভিন্ন প্ৰক্ৰিয়াবোৰে সমস্যাবোৰৰ বেলেগ বেলেগ সমাধান দিয়াৰ সম্ভাৱনা থাকে, যাৰ ফলত সম্পদবোৰৰ আবণ্টনো বেলেগ বেলেগ আৰু অৰ্থনীতিত উৎপাদিত সামগ্ৰী আৰু সেৱাৰ চূড়ান্ত মিশ্ৰণৰ বিতৰণো বেলেগ বেলেগ হয়। গতিকে, এই বিকল্প প্ৰক্ৰিয়াবোৰৰ কোনটো সামগ্ৰিকভাবে অৰ্থনীতিৰ বাবে বাঞ্ছনীয় সেইটো বুজি পোৱাটো জৰুৰী। অৰ্থনীতিত আমি বিভিন্ন প্ৰক্ৰিয়াবোৰৰ বিশ্লেষণ কৰিবলৈ যত্ন কৰো আৰু এই প্ৰক্ৰিয়াবোৰৰ প্ৰতিটোৰ পৰা হ'ব পৰা সম্ভাব্য ফলাফলবোৰ চিত্ৰায়িত কৰো। প্ৰক্ৰিয়াবোৰৰ পৰা হোৱা ফলাফলবোৰ কিমান কাম্য বা বাঞ্ছনীয় তাৰ অধ্যয়ন কৰি আমি প্ৰক্ৰিয়াবোৰৰ মূল্যায়ন কৰো। বিশেষ প্ৰক্ৰিয়া এটাই কেনেদৰে কাম কৰে আমি তাক উলিয়াবলৈ চেষ্টা কৰিছো নে আমি সেইটো মূল্যায়ন কৰিব বিচাৰিছো তাৰ ওপৰত ভিত্তি কৰি প্ৰায়ে যথাৰ্থ অৰ্থনৈতিক বিশ্লেষণ (Positive Economic Analysis) আৰু আদৰ্শগত অৰ্থনৈতিক বিশ্লেষণ (Normative Economic Analysis)ৰ মাজত এটা পাৰ্থক্য কৰা হয়। যথাৰ্থ অৰ্থনৈতিক বিশ্লেষণত আমি বিভিন্ন প্ৰক্ৰিয়াবোৰে কেনেকৈ কাৰ্য কৰে তাৰ অধ্যয়ন কৰো আৰু আদৰ্শগত অৰ্থনীতিত আমি এই প্ৰক্ৰিয়াবোৰ বাঞ্ছনীয় হয় নে নহয় তাক বুজিবলৈ চেষ্টা কৰো। অৱশ্যে, যথাৰ্থ আৰু আদৰ্শগত অৰ্থনৈতিক বিশ্লেষণৰ এই পাৰ্থক্যটো খুব বেছি প্ৰকট নহয়। কেন্দ্ৰীয় অৰ্থনৈতিক সমস্যাবোৰৰ অধ্যয়নত জড়িত যথাৰ্থ আৰু আদৰ্শগত বিষয়বোৰ এটা আনটোৰ লগত নিকটভাবে সম্পৰ্কিত আৰু এটাৰ পৰা পৃথককৈ আন এটা ভালকৈ বুজিব নোৱাৰি।

## 1.5 ব্যষ্টিবাদী অৰ্থনীতি আৰু সমষ্টিবাদী অৰ্থনীতি (Micro-economics and Macro-economics) ঃ

পৰম্পৰাগতভাবে অৰ্থনীতিৰ বিষয়বস্তু দুটা বহল শাখাত হয় অধ্যয়ন কৰা ব্যষ্টিবাদী অৰ্থনীতি আৰু সমষ্টিবাদী অৰ্থনীতি। ব্যষ্টিবাদী অৰ্থনীতিত আমি বিভিন্ন দ্ৰব্য আৰু সেৱাৰ বজাৰত ব্যক্তিগত অৰ্থনৈতিক প্ৰতিনিধিবোৰৰ আচৰণ অধ্যয়ন কৰো আৰু এই বজাৰবোৰত ব্যক্তিসকলৰ ক্ৰিয়া প্ৰতিক্ৰিয়াৰ দ্বাৰা দ্ৰব্য আৰু

সেৰাৰ দাম আৰু পৰিমাণ কেনেদৰে নিৰ্ণয় হয় তাক চিত্ৰায়িত কৰিবলৈ চেষ্টা কৰো। আনহাতে, সমষ্টিবাদী অৰ্থনীতিত আমাৰ মনোযোগ মুঠ উৎপাদন, মুঠ নিয়োগ আৰু সৰ্বমুঠ মূল্যস্তৰৰ নিচিনা সৰ্বমুঠ হিচাববোৰত নিবদ্ধ কৰি অৰ্থনীতিটো সামগ্ৰিকভাবে বুজিবলৈ চেষ্টা কৰো। ইয়াত আমি এই সৰ্বমুঠ হিচাববোৰৰ স্তৰবোৰ কেনেদৰে নিৰ্ধাৰণ কৰা হয় আৰু সময়ৰ লগে লগে এই সৰ্বমুঠ হিচাবৰ স্তৰবোৰ কেনেদৰে পৰিৱৰ্তন হয় তাক উলিয়াই আনিবলৈ ইচ্ছা কৰো। সমষ্টিবাদী অৰ্থনীতিত অধ্যয়ন কৰা কিছুমান গুৰুত্বপূৰ্ণ অৰ্থনৈতিক প্ৰশ্ন তলত উল্লেখ কৰা হ'ল ঃ

অৰ্থনীতিৰ মুঠ উৎপাদনৰ স্তৰ কিমান? মুঠ উৎপাদন কেনেকৈ নিৰ্ধাৰণ কৰা হয়? সময়ৰ লগে লগে মুঠ উৎপাদন কেনেকৈ বৃদ্ধি পায়? অৰ্থনীতিৰ সম্পদবোৰৰ (যেনে-শ্ৰমিক) পূৰ্ণ নিয়োগ হৈছেনে? সম্পদবোৰ পূৰ্ণ নিয়োগ নোহোৱাৰ আঁৰত কি কি কাৰণ আছে? দাম কিয় বাঢ়ে? গতিকে, ব্যষ্টিবাদী অৰ্থনীতিত বিভিন্ন বজাৰৰ অধ্যয়ন যেনেদৰে কৰা হয়, তাৰ পৰিবৰ্তে সমষ্টিবাদী অৰ্থনীতিত আমি অৰ্থনীতিৰ পাৰদৰ্শিতাৰ বাবে সৰ্বমুঠ বা বহল হিচাববোৰৰ আচৰণ অধ্যয়ন কৰিবলৈ চেষ্টা কৰো।

## 1.6 কিতাপখনৰ পৰিকল্পনা (Plan of the Book) ঃ

এই কিতাপখনে ব্যষ্টিবাদী অৰ্থনীতিৰ মৌলিক ধাৰণাবোৰৰ লগত তোমালোকৰ পৰিচয় কৰাব। এই কিতাপখনত আমি এটা মাত্ৰ সামগ্ৰীৰ সুকীয়া উপভোক্তাবোৰ আৰু উৎপাদকসকলৰ আচৰণৰ ওপৰত আলোচনা নিবদ্ধ ৰাখিম আৰু এটা সামগ্ৰীৰ দাম আৰু পৰিমাণ বজাৰত কেনেকৈ নিৰ্ধাৰণ হয় তাক বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিম। দ্বিতীয় অধ্যায়ত আমি ভোক্তাৰ আচৰণ অধ্যয়ন কৰিম। তৃতীয় অধ্যায়ে উৎপাদন আৰু ব্যয়ৰ মৌলিক ধাৰণাবোৰ আলোচনা কৰে। চতুৰ্থ অধ্যায়ত আমি উৎপাদকৰ আচৰণ অধ্যয়ন কৰো। পঞ্চম অধ্যায়ত আমি এটা সামগ্ৰীৰ পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত কেনেকৈ দাম আৰু পৰিমাণ নিৰ্ণয় কৰা হয় তাৰ আলোচনা কৰিম। ষষ্ঠ অধ্যায়ে বজাৰৰ আন কিছুমান প্ৰকাৰ অধ্যয়ন কৰে।

### মূল ধাৰণাসমূহ ঃ

| উপভোগ | উৎপাদন | বিনিময় | দুষ্প্ৰাপ্যতা |
|---|---|---|---|
| উৎপাদন সম্ভাৱনা | সুযোগ ব্যয় | বজাৰ | বজাৰ অৰ্থনীতি |
| কেন্দ্ৰীয়ভাবে পৰিকল্পিত | অৰ্থনীতি | মিশ্ৰ অৰ্থনীতি | যথাৰ্থ বিশ্লেষণ |
| আদৰ্শগত বিশ্লেষণ | ব্যষ্টিবাদী অৰ্থনীতি | সমষ্টিবাদী অৰ্থনীতি | |

## অনুশীলন

1. এখন অৰ্থনীতিৰ মূল সমস্যাসমূহ আলোচনা কৰা।
2. এখন অৰ্থনীতিৰ উৎপাদন সম্ভাৱনীয়তা বুলিলে কি বুজা?
3. উৎপাদন সম্ভাৱনীয়তা সীমাৰেখা কি?
4. অৰ্থনীতিৰ বিষয়বস্তু আলোচনা কৰা।
5. কেন্দ্ৰীয়ভাৱে পৰিকল্পিত অৰ্থনীতি আৰু বজাৰ অৰ্থনীতিৰ মাজত পাৰ্থক্য উল্লেখ কৰা।
6. যথাৰ্থ অৰ্থনৈতিক বিশ্লেষণ বুলিলে কি বুজা?
7. আদৰ্শগত অৰ্থনৈতিক বিশ্লেষণ বুলিলে কি বুজা?
8. ব্যষ্টিবাদী অৰ্থনীতি আৰু সমষ্টিবাদী অৰ্থনীতিৰ মাজত পাৰ্থক্য লিখা।

●●●